DAILY ASSAM

গোট ২

# অগতানুগতিক শিক্ষা

## (NON-FORMAL EDUCATION)

### বিষয় সূচী


(ক) অগতানুগতিক শিক্ষা
- অগতানুগতিক শিক্ষাৰ অৰ্থ
- আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ তুলনা
- অগতানুগতিক শিক্ষাৰ লক্ষ্য
- অগতানুগতিক শিক্ষাৰ বৈশিষ্ট্য
- অগতানুগতিক শিক্ষাৰ গুৰুত্ব

(খ) পত্ৰ বা ডাকযোগে শিক্ষা

(গ) দূৰ শিক্ষা
- দূৰ শিক্ষাৰ অৰ্থ
- দূৰ শিক্ষাৰ তাৎপৰ্য্য

(ঘ) মুক্ত শিক্ষা
- মুক্তশিক্ষাৰ লক্ষ্য
- মুক্ত বিদ্যালয়ৰ প্ৰয়োজন
- মুক্ত বিশ্ববিদ্যালয়
- মুক্ত বিশ্ববিদ্যালয়ৰ বিকাশ
- মুক্ত বিশ্ববিদ্যালয়ৰ বৈশিষ্ট্য
- মুক্ত শিক্ষাৰ সুবিধাসমূহ
- মুক্ত শিক্ষাৰ অসুবিধাসমূহ

DAILY ASSAM

গোট ২

# অগতানুগতিক শিক্ষা

## (NON-FORMAL EDUCATION)

**উদ্দেশ্য**

এই গোটটো অধ্যয়নৰ অন্তত শিক্ষাৰ্থীসকলে —

- অগতানুগতিক শিক্ষাৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব।
- আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাক তুলনা কৰিব পাৰিব।
- অগতানুগতিক শিক্ষাৰ লক্ষ্য আৰু বৈশিষ্ট্য সমূহ বৰ্ণনা কৰিব পাৰিব।
- অগতানুগতিক শিক্ষাৰ গুৰুত্বসমূহ বৰ্ণনা কৰিব পাৰিব।
- ডাকযোগে শিক্ষাৰ অৰ্থ আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- দূৰ শিক্ষাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- মুক্ত শিক্ষাৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰিব পাৰিব।

### প্ৰস্তাৱনা

বৰ্তমান বিশ্বত আমি তিনি প্ৰকাৰৰ বিস্ফোৰণৰ সন্মুখীন হ'ব লগা হৈছে। এই বিস্ফোৰণসমূহ হৈছে জনসংখ্যাৰ বিস্ফোৰণ, জ্ঞানৰ বিস্ফোৰণ আৰু আশা আকাংক্ষাৰ বিস্ফোৰণ। এই বিস্ফোৰণসমূহৰ প্ৰত্যক্ষ প্ৰভাৱ শিক্ষাৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। জনসংখ্যাৰ অত্যাধিক বৃদ্ধিৰ ফলত শিক্ষাৰ সা-সুবিধা সমূহ বৃদ্ধি কৰা স্বত্তেও এক বৃহৎ সংখ্যক লোকে আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগা হৈছে। সেইদৰেই বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ লগে লগে জ্ঞানৰ নতুন নতুন ক্ষেত্ৰৰ সৃষ্টি হৈছে আৰু ইয়াৰ লগে লগে জ্ঞান লাভৰ স্পৃহাও বৃদ্ধি হৈছে। বৰ্তমান পৰিবৰ্তিত সমাজ ব্যৱস্থাত খাপ খাই চলিবৰ বাবে বিদ্যালয়ভিত্তিক শিক্ষাও যথেষ্ট নহয়। শিক্ষাজগতৰ এই পৰিবৰ্তিত প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবে বৰ্তমান পৃথিৱীৰ সকলো দেশতে এক বিকল্প শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। ইয়াক অগতানুগতিক শিক্ষা বুলি কোৱা হয়। এই অধ্যায়ত এই অগতানুগতিক শিক্ষাৰ বিষয়ে আলোচনা কৰা হ'ব।

### (ক) অগতানুগতিক শিক্ষাৰ অৰ্থ (Meaning of Non-formal Education) :

বৰ্তমান সামাজিক জীৱনৰ জটিলতা বাঢ়ি অহাৰ লগে লগে আনুষ্ঠানিক শিক্ষাই ব্যক্তি আৰু সমাজৰ

সকলো প্ৰকাৰৰ আশা-আকাংক্ষা সমূহ পৰিতৃপ্ত কৰাত ব্যৰ্থ হৈ পৰিছে। অৰ্থাৎ বৰ্তমান পৰিস্থিতিত সামাজিক উন্নয়নৰ বাবে আনুষ্ঠানিক শিক্ষাও যথেষ্ট নহয়। গতিকে আনুষ্ঠানিক শিক্ষাক কঠোৰ নীতি-নিয়ম সমূহ কিছু শিথিল কৰি অগতানুগতিক শিক্ষা ব্যৱস্থা কৰা হৈছে। এই শিক্ষা অনানুষ্ঠানিক শিক্ষাৰ দৰে অনিয়ন্ত্ৰিতও নহয়, অৰ্থাৎ স্বাভাৱিক পৰিৱেশ, ঘৰ, সমাজ আদিৰ লগত হোৱা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফল নহয় আৰু আনুষ্ঠানিক শিক্ষাৰ কঠোৰ নীতি-নিয়মৰ দ্বাৰাও আৱদ্ধ নহয়। অগতানুগতিক শিক্ষা উদ্দেশ্যহীন অপৰিকল্পিত শিক্ষা নহয়। ইয়াৰ উদ্দেশ্য আৰু পৰিকল্পনা দুয়োটা আছে। কিন্তু আনুষ্ঠানিক শিক্ষাৰ নীতি-নিয়মৰ দৰে এই শিক্ষাৰ নীতি নিয়মবোৰ অনমনীয় (rigid) নহয়।

আনুষ্ঠানিক শিক্ষাত ভৰ্ত্তি হ'বৰ বাবে এক নিৰ্দিষ্ট বয়স আছে। কিন্তু অগতানুগতিক শিক্ষাত ভৰ্তি হ'বৰ বাবে কোনো নিৰ্ধাৰিত বয়স সীমা নাই। সেইবাবে যিকোনো বয়সৰ লোকে এই শিক্ষাৰ সুযোগ গ্ৰহণ কৰিব পাৰে। এইদৰেই এই শিক্ষাৰ কোনো অপৰিৱৰ্তনীয় পাঠ্যক্ৰমৰ ব্যৱস্থা নাই। আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত পাঠ্যক্ৰম সম্পূৰ্ণ কৰিবৰ বাবে নিৰ্ধাৰিত সময়-কাল বান্ধি দিয়া থাকে আৰু এই পাঠ্যক্ৰম সুনিৰ্ধাৰিত, আনহাতেদি অগতানুগতিক শিক্ষাৰ পাঠ্যক্ৰম জ্ঞানৰ ক্ষেত্ৰৰ বিস্তাৰৰ লগত সামঞ্জস্য ৰাখি পৰিকল্পনা কৰিব পৰা যায়। গতিকে এই শিক্ষা ব্যক্তিৰ জ্ঞানৰ স্পৃহা পৰিতৃপ্তিৰ বাবে বিশেষ সহায়কাৰী। এই শিক্ষাব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ্থীক পৰ্য্যায়ক্ৰমে কোনো বিষয়ৰ সৰ্বাধুনিক জ্ঞান আহৰণত সহায় কৰিব পাৰি আৰু কোনো কৰ্মৰত লোকৰ কৰ্মদক্ষতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণৰো ব্যৱস্থা কৰিব পাৰি।

অগতানুগতিক শিক্ষাৰ আন এটা উল্লেখনীয় দিশ হৈছে যে এই শিক্ষা আধুনিক গণতান্ত্ৰিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। এই শিক্ষাই সকলোকে সমানে শিক্ষাৰ সুবিধা প্ৰদান কৰে। অগতানুগতিক শিক্ষাই শিক্ষাক সকলোৰে বাবে উপলব্ধ কৰি তুলিছে। শিক্ষক আৰু শিক্ষাৰ্থীৰ অসতৰ্কতাৰ বাবে আনুষ্ঠানিক শিক্ষাত ৰৈ যোৱা ক্ৰটীসমূহ পিছত এই অগতানুগতিক শিক্ষাৰ দ্বাৰা সংশোধনৰ দিহা কৰিব পাৰি। আনুষ্ঠানিক শিক্ষাৰ দৰে এই শিক্ষা পৰীক্ষামুখী নহয়। বিশিষ্ট শিক্ষাবিদ জে. পি. নায়কে অগতানুগতিক শিক্ষাৰ সংজ্ঞা ডাঙি ধৰি কৈছিল যে — আনুষ্ঠানিক শিক্ষাৰ বাহিৰত সুপৰিকল্পিত ভাৱে যি শিক্ষাব্যৱস্থা প্ৰচলন কৰা হয় তাকে অগতানুগতিক শিক্ষা বুলি কোৱা হয়। আন কিছুমান শিক্ষাবিদে অগতানুগতিক শিক্ষাৰ ধাৰণা ব্যাখ্যা কৰি কৈছিল যে যি শিক্ষা বিদ্যালয়ৰ চাৰি বেৰৰ মাজত আৱদ্ধ নহয়, কিন্তু কোনো শিক্ষা প্ৰতিষ্ঠানৰ আংশিক নিয়ন্ত্ৰণ থাকে তাকে অগতানুগতিক শিক্ষা বুলি কোৱা হয়। মুঠতে অগতানুগতিক শিক্ষা আনুষ্ঠানিক শিক্ষাৰ বাহিৰৰ এক সুসংগঠিত পৰিকল্পিত শিক্ষা ব্যৱস্থা। স্বতঃস্ফূৰ্ততা, নমনীয়তা আৰু মিতব্যয়ীতা এই শিক্ষাৰ উল্লেখনীয় দিশ।

**মনত ৰাখিবলগীয়া**

- অগতানুগতিক শিক্ষা আনুষ্ঠানিক শিক্ষাৰ বাহিৰত উপলব্ধ।
- এই শিক্ষা সুসংগঠিত আৰু সপৰিকল্পিত।
- এই শিক্ষাৰ নীতি-নিয়মবোৰ অনমনীয় নহয়।
- ই অগতান্ত্ৰিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত।
- স্বতঃস্ফূৰ্ততা, নমনীয়তা আৰু মিতব্যয়িতা ইয়াৰ উল্লেখনীয় দিশ।
- অগতানুগতিক শিক্ষাৰ পাঠ্যক্ৰম সাধাৰণত চাহিদা ভিত্তিক।

DAILY ASSAM



**আনুষ্ঠানিক শিক্ষা আৰু অগতানুগতিক শিক্ষা :** এক পৃথক শিক্ষা ব্যৱস্থা হিচাপে অগতানুগতিক শিক্ষাৰ ধাৰণাটো অধিক স্পষ্ট কৰি তুলিবৰ বাবে, ইয়াক আনুষ্ঠানিক শিক্ষাৰ লগত তুলনা কৰাৰ প্ৰয়োজন। তলত এই দুই প্ৰকাৰৰ শিক্ষাৰ এটি চমু তুলনাত্মক আলোচনা আগবঢ়োৱা হ'ল —

১। আনুষ্ঠানিক শিক্ষাৰ এক নিৰ্ধাৰিত সময়সীমা আছে। আনহাতেদি অগতানুগতিক শিক্ষা এক অবিৰত প্ৰক্ৰিয়া।

২। আনুষ্ঠানিক শিক্ষাৰ পৰিসৰ সীমিত। আনহাতেদি অগতানুগতিক শিক্ষাৰ পৰিসৰ বহল।

৩। আনুষ্ঠানিক শিক্ষা সাধাৰণধৰ্মী। অগতানুগতিক শিক্ষা মূলতঃ চাহিদা ভিত্তিক।

৪। আনুষ্ঠানিক শিক্ষাৰ নীতি-নিয়মবোৰ অনমনীয় (rigid) আনহাতেদি অগতানুগতিক শিক্ষাত নীতি নিয়মবোৰ তুলনামূলকভাৱে নমনীয়।

৫। আনুষ্ঠানিক শিক্ষা শিক্ষানুষ্ঠানৰ চাৰি বেৰৰ মাজত সীমাবদ্ধ। অগতানুগতিক শিক্ষা বিদ্যালয়ৰ পৰিসীমাৰ দ্বাৰা সীমাবদ্ধ নহয়।

আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ মাজত ওপৰত উল্লেখ কৰা পাৰ্থক্যসমূহ দেখা পোৱা গ'লেও এই দুই প্ৰকাৰ শিক্ষাই নিৰ্ধাৰিত নীতি-নিয়মৰ মাধ্যমেৰে সুপৰিকল্পিতভাৱে পৰিচালিত হয়। এই দুই প্ৰকাৰ শিক্ষাৰ দ্বাৰাই আমি ডিগ্ৰী, ডিপ্লোমা আদি পাব পাৰো।

**অগতানুগতিক শিক্ষাৰ লক্ষ্য (Objectives of Non-fomal Education) ঃ** আমাৰ দেশত অগতানুগতিক শিক্ষাৰ লক্ষ্য সমূহ তলত দিয়া ধৰণেৰে ব্যাখ্যা কৰিব পাৰি।

১। স্কুললৈ নোযোৱাকৈ থকা ল'ৰা-ছোৱালীক শিক্ষাৰ সুবিধা প্ৰদান কৰি শিক্ষাক সাৰ্বজনীন ৰূপ আগবঢ়োৱা।

২। সমগ্ৰ দেশৰ আঞ্চলিক, ৰাজ্যিক আৰু জাতীয় সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যা সমূহৰ বিষয়ে সচেতন কৰি সেইবোৰৰ সমাধান বিচাৰিবলৈ ৰাইজক আগ্ৰহী কৰা।

৩। স্থানীয় আৰু প্ৰয়োজনবোধে বাহিৰৰ সম্পদৰাজি ব্যৱহাৰ কৰি বিভিন্ন বৃত্তিত নিয়োজিত ব্যক্তিসকল নিজ নিজ বৃত্তি সম্পৰ্কে জ্ঞান আৰু অভিজ্ঞতা বৃদ্ধি কৰা।

৪। জাতীয় আদৰ্শসমূহৰ প্ৰতি এক সুস্থ মনোভাৱ গঢ় দিবৰ বাবে বাঞ্ছিত ব্যক্তিগত আৰু সামাজিক অভ্যাস গঠনত সহায় কৰা।

৫। দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তুলিবৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন কৌশলসমূহৰ আয়ত্বকৰণত সহায় কৰা।

৬। জীৱনধাৰণৰ মানদণ্ড উন্নত কৰা আৰু ৰাষ্ট্ৰৰ বিকাশত উপযুক্ত সহযোগিতা আগবঢ়াব পৰাকৈ উপযুক্ত ব্যক্তি গঢ় দি তোলা।

**অগতানুগতিক শিক্ষাৰ বৈশিষ্ট্য (Characteristics of Non-fomal Education) ঃ** অগতানুগতিক শিক্ষাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিবৰ বাবে ইয়াৰ মূল বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

১। 'শিক্ষা এক জীৱনব্যাপী প্ৰক্ৰিয়া'— এই ধাৰণাৰ ওপৰত ভিত্তি কৰি অগতানুগতিক শিক্ষাই গঢ় লৈ উঠিছে। গতিকে এই শিক্ষাৰ বিস্তৃতি শিক্ষাৰ্থীৰ জীৱন ব্যাপ্ত।

২। 'সকলোকৰ বাবে শিক্ষা' এই গণতান্ত্ৰিক আদৰ্শ ৰক্ষাৰ সুযোগ সুবিধাৰ পৰা বঞ্চিত লোকসকল এই শিক্ষাৰদ্বাৰা লাভবান হ'ব পাৰে।

৩। এই শিক্ষা ব্যৱস্থা সময়, স্থান, ব্যক্তি, উপস্থিতি, পাঠ্যক্ৰম, মূল্যায়ন ইত্যাদি সকলো দিশৰপৰাই এক নমনীয় শিক্ষা ব্যৱস্থা।

৪। অগতানুগতিক শিক্ষা ব্যক্তি আৰু সমাজৰ চাহিদা ভিত্তিক শিক্ষা ব্যৱস্থা।

৫। শিক্ষাত তাত্ত্বিক বিষয়সমূহতকৈ ব্যৱহাৰিক আৰু কাৰ্যকৰী (functional) বিষয়ৰ ওপৰত এই শিক্ষাত অধিক প্ৰাধান্য দিয়া হয়।

৬। এই শিক্ষাব্যৱস্থা এক মিতব্যয়ী শিক্ষা ব্যৱস্থা।

৭। অগতানুগতিক শিক্ষা ব্যৱস্থা পৰীক্ষাকেন্দ্ৰিক নহয়। অৰ্থাৎ ইয়াত পৰীক্ষা আৱশ্যিক নহয়।

৮। এই শিক্ষা স্বতঃস্ফূৰ্ত। শিক্ষাৰ্থীসকলে নিজস্ব প্ৰয়োজন সাপেক্ষে এই শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী হয়।

৯। অগতানুগতিক শিক্ষা বিদ্যালয়ৰ চাৰিসীমাৰ মাজত আৱদ্ধ নহয়। শিক্ষাৰ্থীয়ে নিজস্ব সুবিধা অনুযায়ী বিদ্যালয়ৰ বাহিৰতো এই শিক্ষা গ্ৰহণ কৰিব পাৰে।

মুঠতে অনানুষ্ঠানিক শিক্ষাৰ অনেক সীমাবদ্ধতা দূৰ কৰিবৰ বাবেই অগতানুগতিক ব্যৱস্থা কৰা হয়। বৰ্ত্তমান বিশ্বৰ সকলো দেশেই এই শিক্ষা ব্যৱস্থাক এক প্ৰয়োজনীয় সহযোগী শিক্ষা ব্যৱস্থা হিচাপে গ্ৰহণ কৰিছে।

**মনত ৰাখিবলগীয়া**

অগতানুগতিক শিক্ষাৰ বৈশিষ্ট্যসমূহ হৈছে —

- জীৱনব্যাপ্ত।
- গণতান্ত্ৰিক আদৰ্শভিত্তিক।
- নমনীয়।
- চাহিদাভিত্তিক।
- পৰীক্ষা কেন্দ্ৰিক নহয়।
- বিদ্যালয়ৰ চাৰিসীমাত আৱদ্ধ নহয়।
- ই স্বতঃস্ফূৰ্ত আৰু
- সুপৰিকল্পিত।

**অগতানুগতিক শিক্ষাৰ গুৰুত্ব (Importance of Non-fomal Education) ঃ** মানুহৰ ক্ৰমবৰ্দ্ধমান শিক্ষাৰ চাহিদা পূৰণৰ বাবেই অগতানুগতিক শিক্ষাৰ উদ্ভৱ হৈছিল। আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া অনেক ত্ৰুটি এই শিক্ষাৰ যোগেদি সংশোধন কৰিব পাৰি। শিক্ষাৰ ক্ষেত্ৰত অগতানুগতিক শিক্ষাৰ গুৰুত্বসমূহ তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰি —

১। অগতানুগতিক শিক্ষাই শিক্ষিত আৰু অশিক্ষিত সকলোকে শৈক্ষিক আৰু অৰ্থনৈতিক প্ৰয়োজন পূৰণ কৰিব পাৰে।

২। এই শিক্ষাই নিৰক্ষৰতা দূৰ কৰি শিক্ষাৰ সাৰ্বজনীনকৰণৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে।

৩। প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত এই অগতানুগতিক শিক্ষাই একে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

DAILY ASSAM



৪। অগতানুগতিক শিক্ষাই বিভিন্ন বৃত্তিত নিয়োজিত লোকসকলৰ বৃত্তিমূলক বিকাশৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়ায়।

৫। অগতানুগতিক শিক্ষা এক চাহিদা ভিত্তিক শিক্ষা। গতিকে এই শিক্ষা ব্যৱস্থাৰ যোগেদি শিক্ষাৰ্থীয়ে নিজস্ব ইচ্ছা, আগ্ৰহ আৰু প্ৰয়োজন অনুযায়ী শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰে।

৬। এই শিক্ষাই শিক্ষাৰ্থীক কোনো বিষয়ৰ সৰ্বাধুনিক জ্ঞান প্ৰদান কৰাৰ লগতে কৰ্মৰত লোকসকলৰ কৰ্মদক্ষতা বঢ়াবৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থাও কৰে।

৭। সমাজৰ নিষ্পেষিত লোকসকলক প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা প্ৰদানত এই শিক্ষা বিশেষ সহায়কাৰী।

৮। অগতানুগতিক শিক্ষা অধিক মিতব্যয়ী হোৱা বাবে এই শিক্ষাৰ যোগেদি কম খৰচতে অধিক সংখ্যক শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰিব পৰা যায়। সেইবাবে ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহৰ শৈক্ষিক চাহিদা পূৰণৰ ক্ষেত্ৰত এই শিক্ষা ব্যৱস্থাৰ এক উল্লেখনীয় ভূমিকা আছে। কিন্তু সেয়ে হ'লেও ইয়াৰ কিছুমান সীমাবদ্ধতাও আছে। অগতানুগতিক শিক্ষাৰ যোগেদি শিক্ষাৰ্থীৰ সাৰ্বিক উন্নতি আশা কৰিব নোৱাৰি। এই শিক্ষাৰ যোগেদি আংশিক শিক্ষাহে প্ৰদান কৰিব পাৰি। এই শিক্ষা ব্যৱস্থাত সামাজিক বিকাশৰ সুযোগ কম।

বৰ্তমান এই অগতানুগতিক শিক্ষাৰ কৰ্মসূচীসমূহ বিভিন্ন অনুষ্ঠানত ভিন ভিন কৌশল আৰু পদ্ধতিৰে পৰিচালনা কৰা হয়। এই ব্যৱস্থাসমূহৰ মাজৰ কেইটামান ব্যৱস্থাৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

### (খ) পত্ৰ বা ডাকযোগে শিক্ষা (Correspondence Education) :

ঊনবিংশ শতাব্দীৰ শেষভাগ আৰু বিংশ শতাব্দীৰ প্ৰথম দশকৰ পৰা অগতানুগতিক শিক্ষাৰ কৌশল হিচাপে পত্ৰ বা ডাকযোগে শিক্ষা প্ৰৱৰ্তন হয়। এই শিক্ষা ব্যৱস্থাৰ যোগেদি শ্ৰেণীকক্ষত প্ৰত্যক্ষভাৱে উপস্থিত নথকাকৈয়ে, ডাকযোগে প্ৰেৰণ কৰা ছপা শিকন সামগ্ৰীৰ ওপৰত ভিত্তি কৰি শিক্ষালাভ কৰিব পৰা যায়। এই ব্যৱস্থাৰে শিক্ষাৰ পৰিচালনাৰ বাবে বিশেষজ্ঞসকলে কোনো বিষয়ৰ বিভিন্ন পাঠৰ ওপৰত শিকন সামগ্ৰী প্ৰস্তুত কৰি তাক ছপা কৰি শিক্ষাৰ্থীসকলৰ বাবে ডাকযোগে প্ৰেৰণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে ঘৰত এই বিষয়সমূহ অধ্যয়ন কৰিব লাগে। এই বিষয়বস্তু সমূহৰ লগতে পাঠৰ লগত জৰিত নিৰ্ধাৰিত প্ৰশ্নাৱলীও প্ৰদাণ কৰা হয়। এই প্ৰশ্নসমূহৰ উত্তৰ কৰি শিক্ষাৰ্থীয়ে শিক্ষকলৈ পঠাব পাৰে। এই উত্তৰসমূহ পৰীক্ষা কৰি শিক্ষকে ডাকযোগেই প্ৰয়োজনীয় দিহা পৰামৰ্শ আগবঢ়ায়। এই শিক্ষা ব্যৱস্থাৰ সাফল্য নিৰ্ভৰ কৰে এহাতে ছাত্ৰ-ছাত্ৰীয়ে সহজে বুজিব পৰাকৈ বিশেষজ্ঞ শিক্ষকসকলে প্ৰস্তুত কৰা উন্নত মানৰ শিকন সামগ্ৰীসমূহৰ ওপৰত আৰু আনহাতেদি ছাত্ৰ-ছাত্ৰীয়ে কৰা পৰিশ্ৰম আৰু সময়মতে পঠোৱা তেওঁলোকৰ প্ৰশ্নোত্তৰৰ ওপৰত। এই শিক্ষা ব্যৱস্থাত প্ৰয়োজন সাপেক্ষে বছৰৰ কোনো কোনো সময়ত নিৰ্ধাৰিত

দিনৰ বাবে ছাত্ৰ-ছাত্ৰী সকল শ্ৰেণীকক্ষত মিলিত হৈ শিক্ষকৰপৰা প্ৰত্যক্ষভাৱে দিহা পৰামৰ্শও ল'ব পাৰে।

এক অগতানুগতিক শিক্ষা ব্যৱস্থা হ'লেও ডাক-যোগে শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্য বা উদ্দেশ্যসমূহ প্ৰচলিত আনুষ্ঠানিক শিক্ষাৰ লগত একে। সাধাৰণ শিক্ষাৰ দৰেই এই শিক্ষাৰ যোগেদি আনুষ্ঠানিক ডিগ্ৰী, ডিপ্লোমা আদি লাভ কৰিব পৰা যায়। সেয়েহে ইয়াক আনুষ্ঠানিক শিক্ষাৰে এক সম্প্ৰসাৰিত ৰূপ বুলি ক'ব পৰা যায়।

পত্ৰযোগে শিক্ষাৰ ধাৰণাটো প্ৰথম আইজাক পিট্‌মেনে (Issac Pitman) ১৮৪০ চনত 'চৰ্ট জেণ্ড কোৰ্চ' ৰ শিক্ষাৰ বাবে ব্যৱহাৰ কৰিছিল। কিন্তু শিক্ষাৰ ক্ষেত্ৰত এই ধাৰণাটো প্ৰথম ১৮৫৬ চনত জাৰ্মানীত আৰম্ভ হয়। ডাকযোগে ভাষা শিক্ষাৰ বাবে Charles Toussaint নামৰ এজন ফৰাচী লোকে জাৰ্মানীত ১৮৫৬ চনত প্ৰথম স্কুলখন স্থাপন কৰিছিল। ভাৰতবৰ্ষত ডাকযোগে শিক্ষা ব্যৱস্থা আৰম্ভ হয় ১৯৬২ চনত। প্ৰথম দিল্লী বিশ্ববিদ্যালয়ে ডাকযোগে শিক্ষা আৰু অবিৰত শিক্ষাৰ বাবে সঞ্চালকালয় খুলি এনে পাঠ্যক্ৰম আৰম্ভ কৰে। দিল্লী বিশ্ববিদ্যালয়ৰ এই পাঠ্যক্ৰমবোৰ বৰ জনপ্ৰিয় হৈ পৰিছিল আৰু পিছত এনে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিবলৈ দেশৰ ভালেমান বিশ্ববিদ্যালয়ে ব্যৱস্থা কৰিছিল।

ডাকযোগে শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কোঠাৰী আয়োগে তলত দিয়া পৰামৰ্শাৱলী আগবঢ়াইছিল —

১। পূৰ্ণ অথবা অংশকালীন শিক্ষা ল'বলৈ অসমৰ্থ হেজাৰ হেজাৰ লোকৰ বাবে ব্যাপকভাৱে ডাকযোগে শিক্ষাৰ ব্যৱস্থা কৰা।

২। ছাত্ৰ-ছাত্ৰীসকলক মাজে মাজে শিক্ষকসকলক লগ পোৱাৰ সুযোগ দিব লাগে।

৩। নিয়মীয়া পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰূপে এই ব্যৱস্থাৰ শিক্ষাৰ্থীসকলে স্বীকৃতি পাব লাগে আৰু সম্ভাৱনাৰ ক্ষেত্ৰত বিভিন্ন অনুষ্ঠানসমূহৰ সা-সুবিধাসমূহ পোৱাৰ ব্যৱস্থা কৰিব লাগে।

৪। এই শিক্ষাৰ সহায়ক হোৱাকৈ ৰেডিঅ' আৰু দূৰদৰ্শনৰ কাৰ্যসূচী যুগুত কৰা উচিত।

৫। কৃষি উদ্যোগ আদিৰ লগত জড়িত কৰ্মীসকলৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰাত সহায় কৰিবৰ বাবে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ উপৰিও এই ক্ষেত্ৰসমূহৰো ডাক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

৬। শিক্ষক প্ৰশিক্ষণৰ বাবেও এই শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

মুঠতে অগতানুগতিক শিক্ষাৰ মূল উদ্দেশ্যসমূহ হৈছে এই যে বিভিন্ন কাৰণত নিয়মতান্ত্ৰিক বিদ্যালয় শিক্ষাৰ পৰা বঞ্চিত হ'বলগা হোৱা ব্যক্তিসকলক এই শিক্ষাই এক বিকল্প পন্থা প্ৰদান কৰে। দ্বিতীয়তে এই শিক্ষা কম ব্যয় সাপেক্ষে বাবে সমাজৰ দুখীয়া লোকসকলৰ বাবে শিক্ষাৰ সুবিধা আগবঢ়োৱা। কৰ্মৰত লোকসকলে তেওঁলোকৰ দক্ষতাৰ উৎকৰ্ষ সাধন কৰিব বিচাৰিলে এই ডাকযোগে শিক্ষাৰ সহায় ল'ব পাৰে। সেইদৰেই যিবিলাক অঞ্চলত শিক্ষানুষ্ঠানৰ অভাৱ, সেই অঞ্চলসমূহতো ইচ্ছুক ব্যক্তিক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত এই শিক্ষাই বিশেষ অৰিহণা যোগায়।

DAILY ASSAM



## (গ) দূৰ শিক্ষা (Distance Edducation)

**১। দূৰ শিক্ষা কি (What is Distance Education) :** দূৰ শিক্ষা ব্যৱস্থা হ'ল আধুনিক শিক্ষাৰ জগতত এটি অভিনৱ সংযোজন। এই শিক্ষা ব্যৱস্থা পৰম্পৰাগত ভাৱে চলি থকা ব্যৱস্থাতকৈ অধিকভাৱে বৈশিষ্ট্যপূৰ্ণ। এই নব্য ধাৰণাটোৱে শিক্ষাৰ ক্ষেত্ৰলৈ সকলোকে সামৰি লবলৈ প্ৰয়াস কৰা দেখা যায়। পৰম্পৰাগত মুখামুখিভাৱে সম্প্ৰসাৰণ হোৱা শিক্ষা ব্যৱস্থাই সমাজৰ বিকাশ লাভ কৰি থকা প্ৰয়োজনখিনি পূৰণ কৰিব নোৱাৰে। দূৰ শিক্ষা ব্যৱস্থাই সেই ঠাই পূৰণ কৰি এটি বিকল্প ফলপ্ৰসূ দিশ হিচাপে পৰিগণিত হৈ পৰিছে। দূৰ শিক্ষা ব্যৱস্থাক নতুনত্ব আহি পৰিছে। ইয়াক পদ্ধতিগতভাৱে সমাজৰ বিভিন্ন প্ৰান্তলৈ সম্প্ৰসাৰিত কৰা হৈছে। দূৰ শিক্ষাৰ নব্য আৰু সংযোগকাৰী প্ৰকৃতিটোৱে শিক্ষণ প্ৰক্ৰিয়াৰ পৰম্পৰাগত প্ৰকৃতিটোৰ সলনি কৰি তোলাৰ মূলতে হৈছে বৈদ্যুতিক গণ সংযোগ মাধ্যমবোৰ। দূৰ শিক্ষা ব্যৱস্থাটোক সম্পূৰ্ণৰূপে বহল পদ্ধতিৰ শিক্ষা বুলি কব পাৰি। এই শিক্ষাই একেলগে অগণন ব্যক্তিক শিক্ষাদানৰ বাবে সামৰি লব পাৰে।

দূৰ শিক্ষা ব্যৱস্থাটো হ'ল ব্যক্তিসকলৰ দৃষ্টিভংগীক বিস্তৃত অৱস্থালৈ অগ্ৰসৰ কৰোৱা এবিধ শিক্ষা। এই শিক্ষাৰ ধাৰণাটো তিনিটা দিশক সামৰি লয়। দিশ তিনিটা হ'ল—

(ক) শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষা

(খ) পৰোক্ষ শিক্ষা

(গ) প্ৰকৃত জীৱনবোধৰ শিক্ষা

দূৰ শিক্ষাই প্ৰথমে শিক্ষাৰ্থীসকলক সামৰি লয়, তাৰ পিছতহে শিক্ষানুষ্ঠানক গুৰুত্ব দিয়ে। ইয়াত শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তাকহে প্ৰথমে গুৰুত্ব দিয়া হয়। শিক্ষাৰ্থীসকলৰ মাজত থকা ব্যক্তিগত ভিন্নতাক চকু দিয়া হয়। ইয়াৰ কাৰ্যাৱলীবোৰ যিমানখিনি পাৰি কাৰ্যক্ষম কৰি তুলিবলৈ বিচৰা হয়। ইয়াত প্ৰত্যকটো পঠনীয় বিষয়ৰ ওপৰত নিৰ্দিষ্ট সময় দিয়া থাকে যদিও সেই সময়ৰ কিছু শিথিলতা থকা দেখা যায়। এই পদ্ধতিটো এটা নমনীয় শিক্ষা পদ্ধতি। ইয়াৰ মাজেৰে শিকাৰুসকলৰ চাহিদা পূৰণ কৰিবলৈ যত্ন কৰা হয়। দূৰ শিক্ষা পদ্ধতিত কম বয়সীয়া শিকাৰু আৰু বয়স্ক শিকাৰুৰ মাজত কোনো ধৰণৰ ব্যৱধান নাই। শিকাৰুসকলে নিজস্ব যোগ্যতা অনুযায়ী নিজ নিজ পাঠ্যক্ৰমৰ কাম-কাজ স্বাধীনভাৱে সম্পাদন কৰিব পাৰে।

দূৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক পৰোক্ষভৱে শিক্ষা আহৰণত অৰিহনা যোগায়। প্ৰত্যক্ষ বা চিধাচিধিভাৱে পোৱা শিক্ষাত শিকাৰুসকলে শিক্ষকৰ লগত মুখামুখি হৈ পৰে আৰু প্ৰত্যক্ষ যোগাযোগ সম্ভৱ কৰি তোলে। দূৰ শিক্ষা ব্যৱস্থাত শিক্ষকৰ লগত যোগাযোগ প্ৰত্যক্ষভাৱেহে সম্ভৱ হৈ উঠে। এনেবোৰ দিশৰ বাবে দূৰ শিক্ষা ব্যৱস্থাক পৰোক্ষ শিক্ষা ব্যৱস্থা বুলি কোৱা হয়। পৰম্পৰাগত শিক্ষাত শিক্ষাৰ্থীসকল কেঁচা সামগ্ৰীৰূপে অন্তৰ্ভুক্তি হয় যদিও পদ্ধতি বিশ্লেষণৰ মাধ্যমত শিক্ষকৰ সহায়ত এটা সময়ত সম্পূৰ্ণ হোৱা সামগ্ৰীলৈ ৰূপান্তৰিত হয়। দূৰ শিক্ষাত শিকাৰুসকলক কেঁচা সামগ্ৰী হিচাপে অন্তভুক্তি কৰিলেও পদ্ধতি বিশ্লেষণত শিক্ষকৰ সহায় অধিকভাৱে নাপায়।

আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত পোৱা সা-সুবিধাখিনি শিকাৰুৱে দূৰ শিক্ষা ব্যৱস্থাত পাবলৈ সক্ষম নহয় বুলি আমি আগতে উল্লেখ কৰিছো। সেই শিক্ষাই শিকাৰুৰ জীৱনটো ৰসহীন আৰু নিস্তেজ কৰি তোলে। দূৰ শিক্ষা ব্যৱস্থাৰ মাধ্যমত শিকাৰুৱে

কিন্তু প্ৰকৃত সত্য জীৱনবোধৰ শিক্ষা পাবলৈ সক্ষম হয়। জীৱনত কৰ্মৰ মাজেৰে লাভ কৰা অভিজ্ঞতাৰ উপলব্ধি এই শিক্ষাৰ মাজেৰে শিকাৰুৱে পায়।

**২। দূৰ শিক্ষাৰ সংজ্ঞা (Definitions of Distance Education) :** দূৰ শিক্ষা ব্যৱস্থাক অধিকভাৱে অৰ্থপূৰ্ণ কৰিবলৈ যাওঁতে চিন্তাবিদসকলে তেওঁলোকৰ মতামতসমূহ তলত দিয়া ধৰণেৰে প্ৰকাশ কৰিছে।

(১) দহমেন (Dohmen) নামৰ চিন্তাবিদগৰাকীয়ে কৈছে যে দূৰ শিক্ষা হ'ল —— "A systematically organised form of self study in which student counselling, the presentation organised from of self study in which student's success is carried out by a team of teachers, each of whom has responsibilities. It is made possible at a distance by means of media which can cover long distance."

(২) মূৰে (Moore) নামৰ চিন্তাবিদগৰাকীৰ মতে দূৰ শিক্ষা হ'ল— "The family of instructional methods in which the teaching behaviours are performed apart from learning behaviours, including those that in a continuous situation would be performed in th learner's presence so that communication between the teacher and the learner must be facilitated by print, electronic, mechanical or other devices."

ওপৰত উল্লেখ কৰা সংজ্ঞাবোৰৰ পৰা দূৰ শিক্ষাৰ অৰ্থ যে বহু বিস্তৃত তাৰ উমান পোৱা যায়। দহমেনৰ সংজ্ঞাটোত কোৱা হৈছে যে 'আত্ম অধ্যয়ন' হে গুৰুত্বপূৰ্ণ। দূৰ শিক্ষাক কাৰ্যকৰী কৰিবলৈ হলে আত্ম অধ্যয়ন প্ৰক্ৰিয়াক কাৰ্যকৰী কৰি তুলিব লাগিব। মূৰেৰ সংজ্ঞাটোত কোৱা হৈছে যে দূৰ শিক্ষা ব্যৱস্থাটোৱে তিনিটা মূল দিশক সামৰি লয়। দিশ তিনিটা হ'ল—

(১) শিক্ষাদনকাৰীৰ আচৰণ-শিক্ষা আহৰণকাৰীৰ আচৰণৰ পৰা বেলেগকৈ ৰখা হয়।

(২) মুখামুখি শিক্ষণ আৰু শিক্ষদান ব্যৱস্থাই এই শিক্ষাত এটা অংশ হিচাপে ধৰণ লয়।

(৩) শিক্ষণ আৰু শিক্ষাদান প্ৰক্ৰিয়াক ফলপ্ৰসু কৰি তুলিবলৈ বৈদ্যুতিক আহিলা আৰু আন মাধ্যমসমূহ ব্যৱহাৰ কৰা হয়।

**(৩) দূৰ শিক্ষাৰ তাৎপৰ্যপূৰ্ণ দিশসমূহ (Significant aspects of Distance Education) :** দূৰ শিক্ষা ব্যৱস্থাটো এটা অতি বৈশিষ্ট্যপূৰ্ণ শিক্ষা ব্যৱস্থা। ই বিশেষভাৱে অৰ্থবহ আৰু গণ সমাদৃত। ওপৰত উল্লেখ কৰা সংজ্ঞাবোৰৰ উপৰিও আন বহুবোৰ দূৰ শিক্ষা সন্দৰ্ভত সংজ্ঞা প্ৰকাশিত হৈছে। সকলোবোৰ সংজ্ঞাত এটা কথাই ওলাই পৰিছে যে দুৰশিক্ষা এটি নতুনত্ব আনিব পৰা শিক্ষা ব্যৱস্থা। বৰ্তমান সমাজত এই শিক্ষা ব্যৱস্থাই নানা ধৰণেৰে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। দূৰ শিক্ষাৰ অৰ্থৱহ ৰেহৰূপৰ কথা কবলৈ যাওঁতে আমি কিগান (Keegan) নামৰ চিন্তাপিদগৰাকীৰ নাম উল্লেখ কৰিব লাগিব। কিগানে মানৱ সমাজৰ কল্যাণৰ বাবে দূৰ শিক্ষাৰ মাধ্যমেৰে বহুখিনি অৱদান আগবঢ়াইছে। কিগান ১৯৭৬ চনত এডেলেইড (Adelaide) দূৰৱৰ্তী শিক্ষা মুক্ত মহাবিদ্যালয়ৰ 'সাধাৰণ অধ্যয়ন বিদ্যালয়'ৰ মুৰব্বী আছিল। সেই সময়তে তেওঁ দূৰ শিক্ষা বিকাশৰ কাম হাতত লৈছিল। কিগানক ১৯৮৪ চনত 'কনচৰজিঅ' (Consorzio) দূৰ শিক্ষণ বিশ্ববিদ্যালয়ৰ প্ৰথম সঞ্চালকপ্ৰধান নিযুক্তি দিয়া হৈছিল। সেই বিশ্ববিদ্যালয়খন ইটালীৰ এখন নতুন বিশ্ববিদ্যালয়ৰ আছিল। কিগানে ১৯৮০ চনলৈ 'আন্তঃৰাষ্ট্ৰীয় দূৰ

DAILY ASSAM



শিক্ষা পৰিষদ'ৰ গৱেষণা সমিতিৰ অধ্যক্ষ আছিল। কিগানে দূৰ শিক্ষাৰ অৰ্থ নিৰূপন কৰাৰ বাবে কিছুমান নতুন ৰেহৰূপ আনিছিল। সেই ৰেহৰূপৰ মাধ্যমেৰে দূৰ শিক্ষাৰ প্ৰকৃতিৰ স্বৰূপ ভালকৈ দাঙি ধৰিছিল। তেওঁৰ ধাৰণাবোৰ হ'ল—

(১) শিক্ষক আৰু শিক্ষাৰ্থীক পৃথকীকৰণ।

(২) শৈক্ষিক সংগঠন ভূমিকা।

(৩) কাৰিকৰী মাধ্যমৰ স্থান।

(৪) দ্বৈত পদ্ধতিৰ যোগাযোগ ব্যৱস্থা।

(৫) শিকাৰুসকলক তেওঁলোকৰ দলৰ পৰা পৃথকীকৰণ।

(৬) উদ্যোগীকৰণ।

দূৰ শিক্ষা ব্যৱস্থাত শিক্ষক আৰু শিক্ষাৰু আঁতৰে আঁতৰে থাকে। ইজনে সিজনক সাধাৰণতে লগ নাপায়। এই শিক্ষা ব্যৱস্থাৰ এইটো এটা কেন্দ্ৰীয় বৈশিষ্ট্য।

দূৰ শিক্ষা ব্যৱস্থাটো অনুষ্ঠানক ভিত্তি কৰি সম্প্ৰসাৰণ হোৱা এটি শিক্ষা ব্যৱস্থা। ইয়াক ব্যক্তিগত অধ্যয়নৰ লগত তুলনা কৰিব নোৱাৰি। ব্যক্তিগত অধ্যয়ন প্ৰকল্পিত হয় নিজাববীয়াকৈ পঢ়া-শুনা কৰা, দূৰদৰ্শনৰ পৰা শিকা বা কথোপকথনত ভাগ লোৱা ইত্যাদিৰ পৰা।

দূৰ শিক্ষা ব্যৱস্থাত বিভিন্ন ধৰণৰ উন্নত কাৰিকৰী আহিলা ব্যৱহাৰ কৰা হয়। সেইবোৰ হ'ল— ছপা সামগ্ৰী, দূৰ সংযোগ আহিলা, শ্ৰৱণ-দৰ্শন আহিলা, কম্পিউটাৰ, সম্প্ৰচাৰণ ইত্যাদি।

এইটো এনে এটা পদ্ধতি, যিটো দ্বৈত পথ যোগোযোগেৰে সম্পন্ন কৰা হয়। শিকাৰুসকলে প্ৰতিক্ৰিয়া তালিকাঁৰ মাধ্যমেৰে নিজস্ব প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে আথবা আন আহিলাৰ মাধ্যমেৰে তেওঁলোকে আহৰণ কৰা জ্ঞানখিনি পুনৰ উৎপাদন অৱগত কৰাব পাৰে। এই পদ্ধতিটোক (Fccdback) বুলি কোৱা হয়। অনুষ্ঠানৰ লগত শিকাৰুৱে যোগসূত্ৰ স্থাপন কৰি সোমাই পৰিব পাৰে।

দূৰ শিক্ষা ব্যৱস্থাত শিকাৰুসকলক পৃথকীকৰণ কৰা হয় তেওঁলোকৰ দলৰ পৰা। যদিও বহুসংখ্যক শিকাৰুৱে শিক্ষালাভৰ বাবে তেওঁলোকৰ নাম ভৰ্তি কৰে, তেওঁলোকে কোনো সময়তে মুখামুখি হৈ দলবদ্ধ হব নোৱাৰে। সেইবাবেই দূৰ শিক্ষা ব্যৱস্থা উচ্চ পৰ্যায়ৰ ব্যক্তিগত ধৰণৰ শিক্ষণ প্ৰক্ৰিয়া হৈ পৰিছে। ই সম্পূৰ্ণৰূপে ব্যক্তিগত ধ্যান-ধাৰণাৰে বিকশিত এটা গুৰুত্বপূৰ্ণ শিক্ষা পদ্ধতি। প্ৰত্যেক বছৰে যদিও অধ্যয়নৰ দলবোৰ দূৰ শিক্ষা শিক্ষণ আঁচনিৰ মাধ্যমত গঠন হৈ পৰে, সেই দলবোৰ বাধ্যতামূলক শিকাৰুৰ দল নহয়। শিকাৰুসকল মুক্ত। তেওঁলোকে নিজৰ ইচ্ছা মতে কামবোৰ সম্পাদন কৰিব পাৰে।

দূৰ শিক্ষা ব্যৱস্থা হ'ল বিশেষ নিৰ্দিষ্ট প্ৰয়োজনৰ বাবে গঢ় লৈ উঠা বিশেষ অথবা নিৰ্দিষ্ট প্ৰশ্নোত্তৰ। দূৰ শিক্ষা ব্যৱস্থাটোক এখন আধুনিক উদ্যোগীক সমাজ বুলি কোৱা হয়। সেই সমাজে সৃষ্টি কৰা এটি প্ৰয়োজন হিচাপে দূৰ শিক্ষাক পৰিগণিত কৰা হয়। এই উদ্যোগীক সমাজখনে প্ৰয়োজনীয় প্ৰযুক্তিবিদ্যাখিনি বিকশিত কৰিছে আৰু শিক্ষা ব্যৱস্থা গঠন কৰিবলৈ সমথবান হৈছে। শিক্ষাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ইয়াক বিশেষ ধৰণেৰে সজাই পৰাই তোলা হৈছে।

ওপৰত উল্লেখ কৰা দিশবোৰলৈ লক্ষ্য ৰাখি যিকোনো এজনে কব পাৰে য়ে দূৰ শিক্ষা হ'ল নিৰ্দিষ্টভাৱে গঠন হৈ উঠা এটি উদ্যোগীক বিকাশ। ই শৈক্ষিক জগতখনৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ কাৰণঃ—

১। ইয়াৰ শিকাৰুসকল সমগ্ৰ শিক্ষণ প্ৰক্ৰিয়াৰ সময়ছোৱাত শিক্ষকৰ পৰা দেখাত স্থায়ীভাৱে পৃথক হৈ থাকে।

২। ইয়াৰ শিকাৰুসকলে সমগ্ৰ শিক্ষণ প্ৰক্ৰিয়াৰ সময়ছোৱাত শিক্ষণ দলৰ পৰা দেখাত স্থায়ীভাৱে পৃথক হৈ থাকে।

৩। এটা প্ৰযুক্তিগত মাধ্যমে আন্তঃব্যক্তিগত যোগাযোগ, প্ৰচলিত শিক্ষা, মৌখিক দলগত ভিত্তিত শিক্ষা ইত্যাদিবোৰক সলনি কৰি দিয়ে।

৪। ই শিক্ষাদান আৰু আহৰণ প্ৰক্ৰিয়াক অনুষ্ঠানভিত্তিক কৰি তোলে।

৫। ই শিক্ষাৰ্থী আৰু শিক্ষকৰ মাজত যোগাযোগৰ দ্বৈত পথ সম্ভৱ কৰি তোলে।

৬। ই শিক্ষা প্ৰক্ৰিয়াটোৰ ব্যক্তিগত কৰণৰ প্ৰতিনিধিত্ব কৰে।

দূৰ শিক্ষাৰ ধাৰণাটোক প্ৰকৃতপক্ষে এটা গণতান্ত্ৰিক আদৰ্শ বুলি স্বীকৃতি দিয়া হয়। ই সৰ্বাংগসুন্দৰভাৱে কৰ্ম সম্পাদন কৰিবলৈ লৈছে। এটা সাধাৰণ শ্ৰেণীকক্ষত এগৰাকী প্ৰবক্তা বা শিক্ষকে চাৰিসীমাৰ ভিতৰত থকা কেইগৰাকীমান শিকাৰুকহে জ্ঞানৰ সোৱাদ দিবলৈ সক্ষম হয়। কিন্তু দূৰ শিক্ষা মাধ্যমেৰে শত-সহস্ৰ শিকাৰুক একেলগে স্বাধীনভাৱে শিক্ষা আহৰণ কৰাৰ সুবিধা প্ৰদান কৰে।

## (ঘ) মুক্ত শিক্ষা (Open Education) :

**১। মুক্ত শিক্ষাৰ লক্ষ্য (Aims of Open Education) :** মুক্ত শিক্ষা ব্যৱস্থাৰ কেইটামান নিৰ্দিষ্ট লক্ষ্য আছে। সেই লক্ষ্যকেইটাত উপনীত হ'ব পাৰিলেহে প্ৰকৃতিগতভাৱে মুক্ত শিক্ষা ব্যৱস্থা বিকশিত হৈ উঠিব।

এই লক্ষ্যসমূহ হ'ল —

১। দেশ এখনৰ সকলো পৰ্যায়ৰ নাগৰিকে যাতে সমান পৰিমাণে শিক্ষা লাভৰ সুযোগ পায় তাক কাৰ্যকৰী কৰা।

২। শিক্ষা আৰু ব্যক্তিৰ মাজত সমন্বয় সাধন কৰি শিক্ষাক জীৱনজোৰা প্ৰক্ৰিয়া হিচাপে পৰিগণিত কৰাৰ ব্যৱস্থা কৰা।

৩। অবিৰত প্ৰক্ৰিয়াৰে শিক্ষা লাভৰ পৰা বঞ্চিত হোৱা আৰু শিক্ষা লাভৰ সুযোগ নোপোৱাসকলক শিক্ষাৰ সুবিধা দিয়া।

৪। অৰ্ধশিক্ষিত অৱস্থাতে কৰ্মত নিয়োগ হোৱা ব্যক্তিসকলৰ আধৰুৱা শিক্ষাখিনি সম্পূৰ্ণ কৰাৰ সুযোগ দান কৰা।

৫। প্ৰাথমিক শিক্ষা ব্যৱস্থাক সাৰ্বজনীন কৰি তোলাৰ ক্ষেত্ৰত কৰ্মকৰ্তাসকলক প্ৰয়োজনীয় দক্ষতাৰে শিক্ষা দিয়া।

৬। বয়স্ক শিক্ষাৰ প্ৰসাৰতা অনাৰ লগতে সংৰক্ষণ আৰু সাফল্যতা অনাৰ দিহা কৰা।

৭। ৰাষ্ট্ৰৰ কল্যাণৰ অৰ্থে ব্যক্তিসকলক উৎপাদনমুখী হ'বলৈ প্ৰয়োজনীয় শিক্ষা আৰু প্ৰশিক্ষণৰ দিহা কৰা।

৮। শিক্ষাৰ সামগ্ৰিক মানদণ্ড উন্নত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ হাতত লোৱা।জ্ঞয়ন্ত্ৰা-

৯। জাতীয় জীৱনৰ উন্নতি আৰু সাফল্যতা অনাৰ বাবে শিক্ষাৰ প্ৰয়োগ বাস্তৱমুখী কৰি তোলা।

১০। সমাজৰ চাহিদালৈ লক্ষ্য ৰাখি মাধ্যমিক আৰু উচ্চ শিক্ষাক অধিকভাৱে ফলপ্ৰসু কৰি তোলাৰ ব্যৱস্থা কৰা।

১১। দেশৰ সৰহসংখ্যক ব্যক্তিয়ে যাতে উচ্চ শিক্ষা ঘৰত থাকিয়ে লাভ কৰিব পাৰে, তাৰ ব্যৱস্থা কৰা।

১২। সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিক ব্যক্তিগত

DAILY ASSAM



দক্ষতা লাভৰ সুযোগ দিয়াৰ লগতে সামগ্ৰিক উন্নয়নত সহায় আগবঢ়োৱা।

**২। মুক্ত বিদ্যালয় (Open School) :** মুক্ত বিদ্যালয় ব্যৱস্থাটো বৰ্তমান সমাজ ব্যৱস্থাৰ এটি অতি তাৎপৰ্যপূৰ্ণ ধাৰণা। সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ ল'ৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত সমভাৱে অগ্ৰসৰ হ'ব নোৱাৰে। বিশেষকৈ অৰ্থনৈতিকভাৱে দুৰ্বল হোৱা হেতুকে কিছুমান ল'ৰা-ছোৱালীয়ে সাধাৰণ শিক্ষাখিনি নোপোৱাকৈয়ে কৰ্মৰ ক্ষেত্ৰবোৰত সোমাই পৰিবলগীয়া হয়। তেনেদৰে কৰ্মৰ ক্ষেত্ৰত সোমাই পৰা শিক্ষা আধৰুৱা কৰা, অবিৰতভাৱে শিক্ষা লাভৰ প্ৰতি আগ্ৰহী ল'ৰা-ছোৱলীবোৰক শিক্ষা দিয়াৰ সুবিধাৰ্থে এবিধ বিদ্যালয় গঢ় লৈ উঠিছে। ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল দিল্লীত ১৯৮৩ চনত। কোনো কোনো গ্ৰন্থত ১৯৭৯ চনত প্ৰতিষ্ঠা হোৱাৰ কথাও কোৱা হৈছে। মুক্ত বিদ্যালয়ত নাম ভৰ্তি মুকলিভাৱে কৰিব পাৰি। ইয়াত কোনো বাধ্য-বাধকতা নাই। শিক্ষাৰ্থীসকলৰ বয়সৰ সীমাৰ লগতে শিক্ষাগত অৰ্হতাৰ কোনো প্ৰয়োজন নাই। এই ক্ষেত্ৰত মন কৰিবলগীয়া কথা হ'ল পঢ়িবলৈ বিচৰা ব্যক্তিজনৰ পাঠ পঢ়িব আৰু বুজিব পৰা ক্ষমতা থাকিব লাগিব। এই বিদ্যালয়ৰ শিক্ষাৰ পাঠ্যক্ৰমবোৰ নমনীয় ধৰণৰ। শিকাৰুসকলে নিজৰ ৰুচি অনুসৰি শিক্ষণীয় বিষয়বোৰ নিৰ্বাচন কৰি লব পাৰে। এই বিদ্যালয়ৰ বছৰত দুবাৰ পৰীক্ষা অনুষ্ঠিত হয়। এবাৰ মাৰ্চ/এপ্ৰিল মাহত আৰু এবাৰ ছেপ্তেম্বৰ / অক্টোবৰ মাহত। পৰীক্ষা তথা মূল্যায়ন প্ৰক্ৰিয়াৰো যথেষ্ট স্বাধীনতা আছে। শিকাৰুসকলে নিজ ইচ্ছা মতে, প্ৰয়োজন বোধ কৰা বিষয়বোৰত পৰীক্ষা দি উত্তীৰ্ণ হব পাৰে। সম্পূৰ্ণকৈ পৰীক্ষাত উত্তীৰ্ণ হ'লে বিদ্যালয় পৰিচালক মণ্ডলীয়ে নম্বৰৰ পূৰ্ণ তালিকাৰ লগতে প্ৰমান-পত্ৰ প্ৰদান কৰে।

মুক্ত বিদ্যালয়ৰ শিক্ষাদান ক্ৰিয়াটো মুক্তভাৱে সম্পন্ন কৰা হয়। শিক্ষাদান প্ৰক্ৰিয়াৰ কোনো আনুষ্ঠানিক ধ্যান-ধাৰণা নাই। ৰেডিঅ', দূৰদৰ্শন, ভিডিঅ' কেছেট, টেপ ৰেকৰ্ডাৰ আদিৰ লগতে শ্ৰৱন-দৰ্শন আহিলাৰ মাধ্যমেৰে শিক্ষাদান কাৰ্যক বাস্তৱমুখী কৰি তোলা হয়। এনেবোৰ কাৰ্যসূচীৰ লগতে ব্যক্তিগত সান্নিধ্যৰ ব্যৱস্থাও আছে। মুঠৰ ওপৰত অনানুষ্ঠানিক পদ্ধতিৰে প্ৰয়োজনীয় সকলোখিনি সুবিধাই দিয়া হয়।

১৯৮৯ চনত মুক্ত বিদ্যালয় ব্যৱস্থাটোৱে স্বায়ত্ব শাসনৰ ক্ষমতা লাভ কৰে। ইয়াৰ আগতে এই বিদ্যালয় কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ লগত যুক্ত হৈ আছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত গঢ় লৈ উঠা মুক্ত বিদ্যালয়বোৰক এই বিদ্যালয়ৰ সংগঠনে প্ৰয়োজনীয় সকলো সাহায্য আগবঢ়ায়। এই বিদ্যালয়ৰ মাধ্যমেৰে আনুষ্ঠানিক শিক্ষাৰ ত্ৰুটিবোৰ নোহোৱা কৰি আগ্ৰহী ব্যক্তিসকলক পলমকৈ হ'লেও শিক্ষা লাভৰ সুযোগ দিয়া হয়। মুক্ত বিদ্যালয় ব্যৱস্থা কাৰ্যকৰী হোৱাৰ লগে লগে বিশ্বৰ শিক্ষা জগত এটি অভিনৱ সংযোজন হোৱ বুলি শিক্ষাবিদসকলে স্বীকাৰ কৰিছে।

**৩। মুক্ত বিদ্যালয়ৰ প্ৰয়োজনীয়তা (Necessity of Open School) :** আধুনিক সমাজত জ্ঞানৰ সম্প্ৰসাৰণ ঘটোৱাৰ বাবে মুক্ত বিদ্যালয় ব্যৱস্থাৰ প্ৰয়োজনীয়তা আহি পৰিছে। আনুষ্ঠানিক শিক্ষাত থকা সীমাবদ্ধতাৰ বাবে সমাজৰ অসংখ্য লোক শিক্ষাৰ ক্ষেত্ৰৰ পৰা আঁতৰি আহিব লগীয়া হৈ পৰে। সমাজৰ অধিক সংখ্যক ব্যক্তিয়েই দাৰিদ্ৰতাৰ কবলত পৰি শিক্ষা লাভৰ পৰা বঞ্চিত হৈ পৰে, ইয়াৰ লগতে

পাৰিবাৰিক অক্ষমতা, অভিভাৱকৰ নিৰক্ষৰতা, যোগাযোগ অৱস্থাহীন অঞ্চল, কম বয়সতে বিবাহ, ৰক্ষণশীলতা আদিৰ বাবে বহুবোৰ ব্যক্তিয়ে সময়মতে শিক্ষা লাভ কৰিব নোৱাৰা হৈ থাকে। পৰিয়ালবোৰে আৰ্থিক দৈন্যতাৰ বাবে নিজৰ ল'ৰা-ছোৱালীবোৰক কৰ্মত নিয়োগ কৰি পেলায়। তেনেবোৰ ল'ৰা-ছোৱালী তথা ব্যক্তিক শিক্ষাৰ প্ৰয়োজন হয় কিন্তু আনুষ্ঠানিক শিক্ষাত তেনেবোৰ ব্যক্তিক সোমাই লব নোৱাৰি। তেনেবোৰ ব্যক্তিৰ চাহিদা পূৰণৰ বাবে মুক্ত বিদ্যালয়ৰ প্ৰয়োজনীয়তা আহি পৰে

বৰ্তমান সময়ত কলা-সংস্কৃতিৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সাফল্যতাৰ ফলত জ্ঞানৰ পৰিষৰ বহু বিস্তৃত হৈ পৰিছে। সমাজৰ সকলো দিশতে জ্ঞানৰ বিস্ফোৰণ ঘটিবলৈ ধৰিছে। নতুন নতুন আবিস্কাৰবোৰ সম্ভৱ হৈ উঠাৰ ফলত পুৰণি জ্ঞান আৰু তথ্যৰ ব্যৱহাৰ অপ্ৰয়োজনীয় হৈ পৰিছে। ইয়াৰ লগে লগে জন বিস্ফোৰণৰ সীমা নোহোৱা হৈ গৈছে আৰু প্ৰচলিত শিক্ষা ব্যৱস্থাই চাহিদাপূৰণ কৰিবলৈ সক্ষম হৈ নপৰা দেখিবলৈ পোৱা যায়। সেইবাবে অভিনৱ পদ্ধতিৰে নতুন নতুন ধাৰণাৰ জ্ঞান সম্প্ৰসাৰিত কৰাৰ বাবেই মুক্ত বিদ্যালয় ব্যৱস্থাৰ প্ৰয়োজন হৈ পৰিছে।

পৰম্পৰাগত শিক্ষা ব্যৱস্থাই ব্যক্তিসকলৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হোৱা দেখা নাযায়। ধৰা বন্ধা নিয়ম-কানুন, স্থান,কাল,বয়স আদিৰ সীমা থকাত ব্যক্তিৰ মনত বিদ্ৰোহত্মক ভাৱধাৰৰ উদয় হয়। বিশ্বৰ চিন্তা জগতত আলোড়নকাৰী মুক্ত শিক্ষাৰ আন্দোলনে তেনেবোৰ সীমাবদ্ধতাক ওফৰাই পেলায় মুক্ত বিদ্যালয় ব্যৱস্থাক প্ৰতিষ্ঠা কৰি সমাজৰ প্ৰয়োজনীয়তাখিনি পূৰণ কৰিবলৈ সক্ষম হৈ পৰিছে।

**৪। মুক্ত বিশ্ববিদ্যালয় (Open University) :** মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটো শিক্ষা সম্প্ৰসাৰণ ব্যৱস্থাৰ এটি অতি উল্লেখযোগ্য প্ৰচেষ্টা। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰি অহা অথবা কলেজীয়া শিক্ষা লবলৈ সক্ষম নোহোৱা ব্যক্তিৰ শিক্ষাৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। মুক্ত বিশ্ববিদ্যালয়ে বিদ্যালয় এৰা, কৰ্মৰত যুৱক, ঘৰৰ গৃহিনী আৰু চাকৰিয়ালসকলকো শিক্ষা আহৰণৰ সুবিধা দিয়ে। ইয়াৰ উপৰিও একেবাৰে পিছপৰা গ্ৰামাঞ্চলৰ দুৱাৰ মুখলৈও মুক্ত বিশ্ববিদ্যালয়ে শিক্ষা সম্পৰসাৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে। শিক্ষাৰ্থীসকলৰ নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ে মুক্ততাৰ ধাৰণা প্ৰৱৰ্তন কৰালে। মুক্ত বিশ্ববিদ্যালয়ত নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত বয়সৰ কোনো সীমাৰেখা নাই। মুক্ত বিশ্ববিদ্যালয়ে পৰম্পৰাগত শিক্ষাৰ লগত আধুনিক পদ্ধতিৰ শিক্ষাৰ সমন্বয় ঘটাইছে। সেই সমন্বয় সাধনৰ ফলত শিক্ষ পদ্ধতিটোৱে নতুন ৰূপ ধাৰণ কৰিবলৈ সক্ষম হৈছে। মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটোৱে শিক্ষা দান আৰু গ্ৰহন প্ৰক্ৰিয়াক সহজ কৰি তুলিছে। এই বিশ্ববিদ্যালয়ে শিক্ষাদানৰ বাবে বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যম, শ্ৰৱন-দৰ্শন আহিলা আৰু মুদ্ৰণ সামগ্ৰীৰ সহায় লয়। এনে ধৰণৰ মাধ্যমৰ লগত ব্যক্তিগত নিৰ্দেশনা আৰু উপদেশৰ ব্যৱস্থাও থাকে। শিক্ষাৰ্থীসকলে প্ৰয়োজন সাপেক্ষে ব্যক্তিগত সান্নিধ্য লাভৰো সুবিধা পাব পাৰে।

**৫। মুক্ত বিশ্ববিদ্যালয়ৰ বিকাশ (Development of Open University) :** মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰথম আৰম্ভনি হয় ইংলেণ্ডত। ১৯৬৯ চনত ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী হেৰল্ড উইলছনৰ কাৰ্যকালত এই বিশ্ববিদ্যালয়খন গঢ় লৈ উঠিছিল।

DAILY ASSAM



মুক্ত শিক্ষাৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ে এটি বিশেষ ধৰণৰ তাৎপৰ্যপূৰ্ণ ভুমিকা গ্ৰহণ কৰিবলৈ সক্ষম হয়। এনে ধৰণৰ প্ৰচেষ্টা ১৯৬০ চনতে কৰা হৈছিল যদিও জনমত ইয়াৰ সপক্ষে নোয়োৱা বাবে সেই সময়ত স্থাপিত নহল। বহুতে এনে বিশ্ববিদ্যালয় বাস্তৱ ক্ষেত্ৰত সহায়ক নহব বুলি মত পোষণ কৰিছিল। প্ৰথম বছৰতে ইংলেণ্ডৰ মুক্ত বিশ্ববিদ্যালয়ত ২৫,০০০ গৰাকী শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছিল। এই বিশ্ববিদ্যালয়ৰ প্ৰথম আচাৰ্য আছিল লৰ্ড ক্ৰাউথাৰ আৰু প্ৰথম উপাচাৰ্য আছিল ছাৰ ওৱালটাৰ পেৰী। মুক্ত বিশ্ববিদ্যালখনৰ প্ৰধান কাৰ্যালয় আছিল ‘মিলটন কিনছ’ত। বিভিন্ন স্থানত ইয়াৰ কিছুমান অধ্যয়ন কেন্দ্ৰ স্থাপিত হৈছিল। এই বিশ্ববিদ্যালয়খনে নানা ধৰণৰ বিষয়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। ইয়াৰ শিক্ষাদান পদ্ধতিত বিশেষভাৱে লিখা পাঠ, দূৰদৰ্শন, অনাতাঁৰ প্ৰচাৰ আদিয়ে স্থান পাইছিল। বিশ্ববিদ্যালয়খনৰ কিছুমান শিক্ষক আৰু নিৰ্দেশক আছিল। শিক্ষাৰ্থীসকলে প্ৰয়োজনবোধে তেখেতসকলৰ লগত যোগাযোগ স্থাপন কৰিছিল। এই বিশ্ববিদ্যালয়ত সময়মতে শিক্ষা লাভ কৰিবলৈ সুযোগ নোপোৱা অৰ্থনৈতিকভাৱে দুৰ্বল আৰু সামাজিকভাৱে পিছপৰা ব্যক্তিসকলে শিক্ষা লাভৰ সুয়োগ পাইছিল। বৰ্তমানলৈও এই বিশ্ববিদ্যালয়ে ডিগ্ৰী, ডিপ্লোমা, চাৰ্টিফিকেট আদি প্ৰদান কৰি সামাজিক চাহিদা পূৰণ কৰি থকা দেখা যায়। ইংলেণ্ডত স্থাপন কৰা মুক্ত বিশ্ববিদ্যালয়ৰ আৰ্হিত বৰ্তমান সময়ত বিশ্বৰ অধিক সংখ্যক দেশে মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰাত গুৰুত্ব আৰোপ কৰিছে। ইংলেণ্ডৰ পিছত জাৰ্মানী, স্পেইন, নেদাৰলেণ্ড শ্ৰীলংকা, চীন আদি দেশত মুক্ত বিশ্ববিদ্যালয় গঢ় উঠিছে।

ভাৰতবৰ্ষত বিশ্ববিদ্যালয় প্ৰথমতে স্থাপন কৰা হয় ১৮৮২ চনত অন্ধ্ৰ প্ৰদেশৰ হায়দৰাবাদত। এই বিশ্ববিদ্যালয়খনৰ নাম ৰখা হৈছিল ‘অন্ধ্ৰ প্ৰদেশ মুক্ত বিশ্ববিদ্যালয়’। এই বিশ্ববিদ্যালয়খন ৰাজ্যিক পৰ্যায়ৰ আছিল। প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হৈ থকা সময়ত ১৯৮৫ চনত ৰাষ্ট্ৰীয় পৰ্যায়ত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হয়। এই মুক্ত বিশ্ববিদ্যালয়খন লোকসভাত আইন প্ৰণয়ন কৰি দিল্লীত স্থাপন কৰা হৈছে। ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ গুৰুত্বপূৰ্ণ স্থানতে ইয়াৰ অধ্যয়ন কেন্দ্ৰ আছে। ইয়াৰ বহুবোৰ আঞ্চলিক কেন্দ্ৰ আছে। সেই কেন্দ্ৰবোৰৰ মাধ্যমত ইচ্ছুক শিক্ষাৰ্থীসকলে নিজৰ নিজৰ চাহিদা পূৰণ কৰিব পাৰে।

### ৬। মুক্ত বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্য (Objectives of establishment of open University) :

মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰাৰ কেইটামান উদ্দেশ্য আছে। সেইবোৰ হ’ল ——

১। সমাজত পিছ পৰি ৰৈ যোৱা ব্যক্তিসকলক শিক্ষা লাভৰ বিশেষ সুযোগ দান কৰা।

২। কম সময়তে অধিক সংখ্যক লোকক কাৰিকৰী আৰু বৃত্তিমুলক শিক্ষা লাভৰ সুযোগ দিয়া।

৩। দূৰ শিক্ষণ পদ্ধতি আৰু আধুনিক সংযোগ কৌশলৰ মাধ্যমত নমনীয় ধৰণৰ উদ্ভাৱনমূলক শিক্ষাৰ ব্যৱস্থা কৰা।

৪। ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠান আৰু সমাজৰ বিকাশ আৰু উন্নতিৰ বাবে কাৰ্যকৰী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা।

৫। বয়স্ক শিক্ষা, অবিৰত শিক্ষা আৰু সম্প্ৰসাৰণ শিক্ষাক সকলোৰে বাবে উন্মুক্ত কৰি ৰখা।

৬। স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষা আৰু গৱেষণাৰ উপৰিও শৈক্ষিক প্ৰযুক্তিবিদ্যা, দূৰ শিক্ষা আৰু সংবাদ কৌশৰ উন্নয়নৰ বাবে সুযোগ মুকলি ৰখা।

৭। পৰিৱৰ্তিত সময়ত উদ্ভাৱিত হোৱা বিভিন্ন নতুন কৌশল আৰু সংবাদ মাধ্যমক প্ৰয়োগ কৰা।

**৭। মুক্ত বিশ্ববিদ্যালয়ৰ বৈশিষ্ট্যসমূহ (Characteristics of Open University) :** মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটো বিশেষভাৱে বৈশিষ্ট্যপূৰ্ণ। ইয়াৰ বৈশিষ্ট্য সমূহ হ'ল —

১। মুক্ত বিশ্ববিদ্যালয় মাধ্যমেৰে কৰ্মক্ষেত্ৰত নিয়োজিত হৈ থকা আগ্ৰহী ব্যক্তিসকলক উচ্চ শিক্ষা অংশকালীনভাৱে লোৱাৰ সুবিধা কৰি দিয়া হয়

২। মুক্ত বিশ্ববিদ্যালয়ৰ নাম ভৰ্তিকৰণ ব্যৱস্থা মুক্ত ধাৰণাৰ মাধ্যমেৰে সম্পন্ন হয়।

৩। মুক্ত বিশ্ববিদ্যালয়ত নিৰ্ধাৰিত বয়সৰ যিকোনো ব্যক্তিয়ে নিজকে শিকাৰু হিচাপে পৰিগণিত কৰাব পাৰে।

৪। মুক্ত বিশ্ববিদ্যালয়ত শিকাৰুসকলে স্বাধীনভাবে নিজৰ যোগ্যতা অনুসাৰে পাঠ্যক্ৰম নিৰ্বাচন কৰি লব পাৰে। ইয়াত শিক্ষাৰ্থী ৰুচি-অভিৰুচিৰ গুৰুত্ব আছে।

৫। মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰয়োজন অনুসৰি শিক্ষণীয় পাঠবোৰ পূৰ্ব পৰিকল্পনাৰে সজাই পৰাই তোলা হয়।

৬। মুক্ত বিশ্ববিদ্যালয়ত শিকাৰুসকলে নামভৰ্তি কৰিলেও পাঠ্যক্ৰম সম্পূৰ্ণ নকৰাকৈ ওলাই আহিব পাৰে।

৭। মুক্ত বিশ্ববিদ্যালয়ৰ কোনো ক্ষেত্ৰতে কোনো ধৰণৰ বাধ্যবাধকতা নাই।

৮। মুক্ত বিশ্ববিদ্যালয়ৰ পঠনীয় বিষয়বস্তুবোৰ ডাকযোগ পঠোৱা হয় যদিও কিছুমান বিষয় দূৰদৰ্শন আৰু ৰেডিঅ'ৰ মাধ্যমেৰেও শিকোৱা হয়।

৯। মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষাদান প্ৰক্ৰিয়াত দূৰ সংযোগৰ ব্যৱস্থা কৰা হয়।

১০। মুক্ত বিশ্ববিদ্যালয়ৰ শিকাৰুৱে পৰামৰ্শদাতাৰ লগত ব্যক্তিগতভাৱে যোগাযোগ স্থাপন কৰাৰ সুবিধা আছে।

১১। মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটোৱে কৰ্মৰত ব্যক্তি ব্য আন আন ব্যক্তিসকলক দীৰ্ঘকালীনভাৱে উচ্চ শিক্ষা লাভৰ সুযোগ দান কৰে।

১২। মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটোক অধিকভাৱে ফলপ্ৰসু কৰি তোলৰ বাবে 'বিস্তৃত সান্নিধ্য আচনি' প্ৰয়োগ কৰা হয়।

**৮। মুক্ত শিক্ষাৰ সুবিধা সমূহ (Merits of the Open Education System) :** মুক্ত শিক্ষণ ব্যৱস্থাৰ বহুবোৰ সুবিধা দেখিবলৈ পোৱা যায়। সুবিধাসমূহ চমুকৈ তলত উল্লেখ কৰা হ'ল—

১। এই শিক্ষাৰ মাধ্যমেৰে উচ্চ শিক্ষাক ব্যক্তিৰ একেবাৰে ওচৰলৈ লৈ যোৱা হৈছে। বিশেষকৈ কৰ্মৰত হৈ থকা ব্যক্তিসকল, চাকৰি

DAILY ASSAM



কৰি থকা ব্যক্তিসক, বক্ষণশীলতা বা ঘৰুৱা দায়িত্বৰ বাবে সাধৰণ শিক্ষা লোৱাৰ সুবিধা নোপোৱা মহিলাসকল এই ব্যৱস্থাৰ পৰা অধিকভাৱে লাভবান হয়।

২ এই শিক্ষাৰ মাধ্যমেৰে একেবাৰে ভিতৰুৱা অঞ্চলত বাস কৰা লোক, পাহাৰীয়া অঞ্চলত বাস কৰা লোক, গ্ৰামাঞ্চলত বাস কৰা লোকৰ উপৰিও নিয়মীয়া শিক্ষানুষ্ঠানত নাম ভৰ্তি কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকল, আগতীয়াভাৱে বাদ পৰাসকল আৰু বয়সীয়া লোকসকলে পঢ়াৰ সুযোগ লাভ কৰিব পাৰে।

৩। এই শিক্ষা ব্যৱস্থাৰ খৰচ কম হোৱা বাবে ব্যক্তিসকল ইয়াৰ প্ৰতি আগ্ৰহী হৈ পৰা দেখা যায়। নিয়মীয়া শিক্ষাত যিমানখিনি খৰচ হয়, তাৰ তিনিভাগৰ এভাগ এই শিক্ষা ব্যৱস্থাত খৰচ হয়।

৪। এই শিক্ষা ব্যৱস্থাত নাম ভৰ্তিকৰণৰ সময়ত নিৰ্দিষ্ট যোগ্যতাৰ প্ৰয়োজন নহয়। কোনো ধৰণৰ নিয়মীয়া শিক্ষাৰ অৰ্হতা নাথাকিলেও উচ্চ খাপৰ শিক্ষাত ব্যক্তিসকলে নাম ভৰ্তি কৰিব পাৰে।

৫। এই শিক্ষা ব্যৱস্থাত যিকোনো পাঠ্যক্ৰমত সময়ৰ ক্ষেত্ৰত যথেষ্ট শিথিলতা থকা দেখা যায়। এবছৰীয়া পাঠ্যক্ৰম শেষ কৰাৰ বাবে চাৰি বছৰলৈ সময় পায়।

৬। এই শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমবোৰ অধিকভাৱে অৰ্থপূৰ্ণ আৰু সংগঠিত। পাঠ্যক্ৰমবোৰ অধিকভাবে ব্যৱহাৰোপযোগী আৰু প্ৰয়োগশীল ধৰণৰ

৭। এই শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰবোৰ সংগঠিত কৰোতে আন্তঃবিষয়ক দৃষ্টিভংগী অন্তৰ্ভুক্ত কৰা হয়।

৮। এই শিক্ষা ব্যৱস্থাৰ অধিক সংখ্যক পাঠ্যক্ৰম চাকৰিৰ লগত জড়িত আৰু বৃত্তিমুখী ধৰণৰ।

৯। এই শিক্ষা ব্যৱস্থাৰ মাধ্যমত পোৱা আত্মশিক্ষণ আহিলাবোৰে শিকাৰু-সকলক শিক্ষকৰ শ্ৰেণীটোকা আৰু বক্তৃতাৰ ওপৰত ভিত্তি নকৰি আত্ম অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়াত উদ্‌গনি যোগায়।

১০। এই শিক্ষা ব্যৱস্থাৰ শিকাৰুসকললৈ পঠোৱা পাঠ্যক্ৰমৰ আহিলাৰ লগতে শিক্ষণ সামগ্ৰীবাৰ দক্ষতাসম্পন্ন অভিজ্ঞ অধ্যাপকৰ দ্বাৰা প্ৰস্তুত কৰা। সেই প্ৰস্তুতকাৰী বিশেষজ্ঞসকল হ'ল অধিকভাৱে জ্ঞানসমৃদ্ধ আৰু প্ৰথিতযশা।

১১। এই শিক্ষা ব্যৱস্থাৰ মূল্যায়ন প্ৰক্ৰিয়াটো অবিৰত প্ৰকৃতিৰ। মূল্যায়ন কৰোতে শিকাৰুৰ নিজস্ব কৰ্মৰাজিৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

১২। এই শিক্ষা ব্যৱস্থাৰ শিকাৰুসকলৰ বাবে ব্যক্তিগত সান্নিধ্যৰ কাৰ্যসূচীৰ ব্যৱস্থা থাকে আৰু প্ৰয়োজন সাপেক্ষে নিৰ্দেশনা দিয়াৰ ব্যৱস্থাও আছে।

**৯। মুক্ত শিক্ষাৰ দূৰ্বলতাসমূহ (Demerits of Distance Education) :** মুক্ত শিক্ষা ব্যৱস্থাৰ যিমানবোৰ সুবিধা দেখিবলৈ পোৱা যায়, তেনেদৰে দূৰ্বলতাও দেখিবলৈ পোৱা যায়- দূৰ্বলতাখিনি চমুকৈ তলত উল্লেখ কৰি দেখুওৱা হ'ল—

১। মুক্ত শিক্ষা সম্প্ৰসাৰণ কৰা কেন্দ্ৰবোৰৰ

সংখ্যা এতিয়াও সীমাবদ্ধ হৈ আছে।

২। এই শিক্ষা ব্যৱস্থাই সুবিধা পাবলৈ সক্ষম নোহোৱা ব্যক্তিসকলৰ প্ৰয়োজন পূৰণ কৰিব পৰা নাই।

৩। মুক্ত শিক্ষা ব্যৱস্থাই গ্ৰাম্যঞ্চলৰ লগতে একেবাৰে ভিতৰুৱা অঞ্চল স্পৰ্শ কৰিবলৈ সামগ্ৰিকভাৱে সক্ষম হোৱা নাই।

৪। মুক্ত শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমৰ সংখ্যা কম। ইয়াৰ সীমাবদ্ধতা চহৰ অঞ্চলৰ জনসাধৰণৰ মাজতে থকা দেখা যায়।

৫। মুক্ত শিক্ষাৰ পৰা একমাত্ৰ মধ্যবিত্ত শ্ৰেণীটোহে লাভাৱান্বিত হোৱা দেখা যায়।

৬। মুক্ত শিক্ষাৰ কেন্দ্ৰবোৰত সা-সুবিধাৰ সংখ্যা কম আৰু সেৱা আগবঢোৱা ব্যক্তিৰ সংখ্যাও তাকৰীয়া। ইয়াৰ সকলোবোৰ নিৰ্দেশক অভিজ্ঞতা সম্পন্ন নহয়।

৭। মুক্ত শিক্ষা ব্যৱস্থাই যিখিনি ব্যক্তিগত সান্নিধ্যৰ কাৰ্যসূচী আগবঢ়ায়, সেইখিনি যথাযোগ্য নহয়। সেই কাৰ্যসূচীবোৰৰ সময় অতি কম হোৱা বাবে শিক্ষাৰ্থীসকল লাভবান হোৱা দেখা নাযায়।

৮। মুক্ত শিক্ষা ব্যৱস্থাৰ শিক্ষণ পদ্ধতিখিনি আনুষ্ঠানিক শিক্ষাৰ শিক্ষাৰ্থীয়ে লাভ কৰা শিক্ষণ পদ্ধতিৰ দৰে একে ধৰণৰ হৈ পৰা দেখা যায়।

৯। মুক্ত শিক্ষা ব্যৱস্থাৰ উপদেশমূলক পদ্ধতি আৰু পুনৰুৎপাদন প্ৰক্ৰিয়াটো যথাযোগ্য নহয়।

১০। মুক্ত শিক্ষা ব্যৱস্থাৰ প্ৰত্যেকটো মুখ্য কাৰ্যালয় অথবা সঞ্চালক বিভাগে পুনৰ উৎপাদন প্ৰক্ৰিয়াটোক অধিকভাৱে কাৰ্যকৰী কৰাত মনোযোগ দিয়া দেখা নাযায়।

১১। মুক্ত শিক্ষা ব্যৱস্থাৰ নিৰ্দেশক বা শিক্ষকসকলে সময়মতে মুল্যায়ন ব্যৱস্থাটো সম্পাদন কৰি দিয়া দেখা নাযায়।

১২। মুক্ত শিক্ষা ব্যৱস্থাৰ অধ্যয়ন সামগ্ৰী আৰু প্ৰশ্ন ভাণ্ডাৰবোৰ সময়মতে শিকাৰুৰ ওচৰত পোৱা দেখা নাযায়। তাৰ ফলত শিকাৰুসকলে সময়মতে পাঠ্যক্ৰম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈ নপৰে।

**মনত ৰাখিবলগীয়া - ৪**

১। দূৰ শিক্ষাৰ ধাৰণাটোৱে সামৰি লোৱা প্ৰধান দিশ তিনিটা হ'ল— (ক) শিকাৰুকেন্দ্ৰিক শিক্ষা (খ) পৰোক্ষ শিক্ষা আৰু (গ) প্ৰকৃত জীৱনবোধৰ শিক্ষা।

২। দূৰ শিক্ষাক কাৰ্যকৰী কৰিবলৈ হ'লে 'আত্মঅধ্যয়নৰ' ওপৰত গুৰুত্ব দিব লাগিব।

৩। সাধাৰণতে আমাৰ দেশত আনুষ্ঠানিক শিক্ষাৰ সীমাবদ্ধতাৰ বাবেই মুক্ত শিক্ষাৰ আবিৰ্ভাব হোৱা বুলি কোৱা হয়।

৪। মুক্ত বিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাথাকে আৰু ইয়ত শ্ৰেণীকোঠাৰ প্ৰয়োজনীয়তা নাথাকে।

৫। মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটো সম্প্ৰসাৰণ শিক্ষা ব্যৱস্থাৰ এটি উল্লেখযোগ্য প্ৰচেষ্টা

৬। ভাৰতবৰ্ষৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় হ'ল আম্বেদকাৰ অন্ধ্ৰপ্ৰদেশ মুক্ত বিশ্ববিদ্যালয়।

৭। ১৯৮৫ চনত ভাৰতবৰ্ষৰ ৰাজধানী দিল্লীত 'ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়' নামেৰে এখন জাতীয় বিশ্ববিদ্যালয় গঢ়ি তোলা হৈছে।

DAILY ASSAM



**শিক্ষাৰ্থীৰ কাম ঃ ৪**

১। দূৰত্ব শিক্ষা বুলিলে কি বুজা?
২। দূৰত্ব শিক্ষাৰ এটা সংজ্ঞা দিয়া।
৩। মুক্ত শিক্ষা কাক কোৱা হয়?
৪। মুক্ত বিদ্যালয়ৰ শিক্ষাৰ্থী কোন হ'ব পাৰে
৫। মুক্ত বিদ্যালয়ৰ স্থাপন কৰাৰ উদ্দেশ্য কি?
৬। মুক্ত বিশ্ববিদ্যালয় প্ৰথমতে ভাৰতৰ কত আৰু কেতিয়া স্থাপন কৰা হয়?
৭। অসমত স্থাপন কৰা মুক্ত বিশ্ববিদ্যালয় খনৰ নাম কি ৰখা হৈছে?

## সাৰাংশ (Summary)

আনুষ্ঠানিক শিক্ষাৰ অনেক ত্ৰুটি দূৰ কৰিবৰ বাবেই অগতানুগতিক শিকাৰ বিকাশ হৈছিল। বিদ্যালয়ৰ চাৰিবেৰাৰ বাহৰিত এই শিক্ষা লাভ কৰিব পাৰিলেও এই শিক্ষা সুসংগঠিত আৰু সুপৰিকল্পিত। এই শিক্ষা চাহিদা নিৰ্ভৰ, নমনীয় আৰু জীৱন ব্যাপ্ত।

দূৰশিক্ষা ব্যৱস্থা হ'ল— আধুনিক শিক্ষাৰ জগতত এটি অভিনব সংযোজন। এই নব্য ধাৰণাটোৱে শিক্ষাৰ ক্ষেত্ৰলৈ সকলোকে সামৰি লবলৈ প্ৰয়াস কৰা দেখা যায়। এই শিক্ষআৰ ধাৰণাটোৱে তিনিটা দিশক সামৰি লয়। দিশ তিনিটা হ'ল— (ক) শিকাৰু কেন্দ্ৰিক শিক্ষা, (খ) পৰোক্ষ শিক্ষা, (গ) প্ৰকৃত জীৱনবোধৰ শিক্ষা। দূৰশিক্ষা সন্দৰ্ভত প্ৰকাশিত হোৱা সংজ্ঞাসমূহৰ ভিতৰত দহমেনৰ (Dohmen) সংজ্ঞাটো অধিক তাৎপৰ্যপূৰ্ণ। দুৰশিক্ষাক কাৰ্য্যকৰী কৰিবলৈ হ'লে 'আত্ম অধ্যয়ন' প্ৰক্ৰিয়াক কাৰ্য্যকৰী কৰি তুলিব লাগিব। দূৰশিক্ষাক একপ্ৰকাৰ আনুষ্ঠানিক শিক্ষা বুলিওঁ কব পৰা যায়। আধুনিক শিক্ষাৰ ক্ষেত্ৰখনৰ এটা তাৎপৰ্য্যপূৰ্ণ ধাৰণা হ'ল মুক্ত শিক্ষা। সাধাৰণতে আনুষ্ঠানিক শিক্ষাৰ সীমাবদ্ধতাৰ বাবেই মুক্ত শিক্ষাৰ আবিৰ্ভাব হৈছে বুলি কব পৰা যায়। মুক্ত শিক্ষা ব্যৱস্থাই সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ প্ৰয়োজন পূৰন কৰিব পাৰে। আনুষ্ঠানিক শিক্ষাৰ এক বিকল্প হিচাপে মুক্ত বিদ্যালয় স্থাপন কৰা হৈছে। ইয়াত নামভৰ্তিৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই আৰু অৰ্হতাৰ ক্ষেত্ৰটো কোনো কটকটীয়া নিয়ম নাই। মুক্ত বিদ্যালয়ত নিৰ্দিষ্ট শ্ৰেণীকোঠাৰ প্ৰয়োজন নাথাকে। এই শিক্ষা ব্যৱস্থা মিতব্যয়ী বাবে সমাজত নিম্ন শ্ৰেণীৰ লোকসকল ইয়াৰ পৰা অধিকভাৱে উপকৃত হয়। মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটো সম্প্ৰসাৰন ব্যৱস্থাৰ এটা অতি উল্লেখযোগ্য প্ৰচেষ্টা। মুক্ত বিশ্ববিদ্যালয়ে নাম ভৰ্তিকৰনৰ ক্ষেত্ৰত মুক্ততাৰ ধাৰণা প্ৰবৰ্তন কৰে। মুক্ত বিশ্ববিদ্যালয়ৰ নামভৰ্তিকৰনৰ ক্ষেত্ৰত বিশেষ বয়সৰ সীমা নাথাকে। মুক্ত বিশ্ববিদ্যালয় ধাৰনাটোৱে বিকাশ লাভ কৰিছিল ইংলেণ্ডত। যিবোৰ ব্যক্তিয়ে নিজৰ বৃত্তিত নিজকে জড়িত কৰি ৰাখিওঁ নতুন জ্ঞান লাভ কৰিবলৈ বিচাৰে বা পুৰনি জ্ঞানকে নবীকৰণ কৰিব খোজে অথবা সাম্প্ৰতিক কালৰ জ্ঞান লাভ কৰিব খোজে তেওঁলোকক মুক্ত বিশ্ববিদ্যালয়ে সহায় কৰে। ভাৰতবৰ্ষৰ প্ৰথমখন মুক্তবিশ্ববিদ্যালয় হ'ল 'আম্বেদকাৰ অন্ধ্ৰপ্ৰদেশ মুক্তবিশ্ববিদ্যালয়'। ১৯৮৫ চনত ভাৰত চৰকাৰে 'ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়' নামেৰে এখন মুক্ত বিশ্ববিদ্যালয় দিল্লীত স্থাপন কৰে। অসমত 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়' নামেৰে এখন মুক্ত বিশ্ববিদ্যালয় ২০০৭ চনত গুৱাহাটীত গঢ়ি তোলা হৈছে। ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষানীতিত মুক্ত বিশ্ববিদ্যালয় শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। দূৰত্ব শিক্ষাৰ ক্ষেত্ৰখন অধিকভৱে সম্প্ৰসাৰিত কৰিবলৈ ভাৰতবৰ্ষৰ বহুবোৰ প্ৰদেশে মুক্তবিশ্ববিদ্যালয় স্থাপন কৰিছে।

## প্ৰশ্নাৱলী

১। অগতানুগতিক শিক্ষা বুলিলে কি বুজা? এই শিক্ষাৰ বৈশিষ্ট্য সমূহ আলোচনা কৰা।
২। আনুষ্ঠানিক শিক্ষা আৰু অগতানুগতিক শিক্ষাক তুলনা কৰা।
৩। অগতানুগতিক শিক্ষাৰ শিক্ষাৰ লক্ষ্যসমূহ কি কি?
৪। অগতানুগতিক শিক্ষাৰ শৈক্ষিক গুৰুত্ব আলোচনা কৰা।
৫। দূৰ শিক্ষা কি? এই শিক্ষাৰ তাৎপৰ্য ব্যাখ্যা কৰা।
৬। দূৰ শিক্ষাৰ সংজ্ঞা দিয়া। এই শিক্ষা প্ৰদানৰ কেইটামান উপায় লিখা।
৭। মুক্ত শিক্ষা কি? মুক্ত শিক্ষাৰ লক্ষ্যবোৰৰ বিষয়ে লিখা।
৮। মুক্ত বিদ্যালয় আৰু মুক্ত বিশ্ববিদ্যালয়ৰ বিষয়ে লিখা।
৯। মুক্ত শিক্ষাৰ সবলতা আৰু দুৰ্বলতা সমূহৰ বিষয়ে লিখা।

●●●